গাৰ্গক ন্যায় দিয়ক। জুবিন
ন্যায় দিয়াৰ দাবীত আছুৱে
জুৰি কৰিব তীব্ৰ-সংগ্ৰাম।
—আছুৰ সাধাৰণ সম্পাদক
সমীৰণ ফুকন

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

ফোন নং ঃ ০৩৭৬—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ৩২৫ দেওবাৰ ২৫ আহিন ১৯৪৭ শক ১২ অক্টোবৰ ২০২৫ চন ASOMIYA KHABAR JORHAT SUNDAY 12 OCTOBER 2025 দাম ঃ ৭.০০ টকা

নতুন দিল্লীত প্ৰধানমন্ত্ৰীয়ে সম্বোধন কৰা কৃষি সম্পৰ্কীয় অ...
যোৰহাটত ভাৰ্চুৱেলি উপস্থিত থাকে কৃষি মন্ত্ৰী অতুল বৰাই।



### ☐ ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ পদক্ষেপ ☐

## প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নামত বঁটা প্ৰদানৰ সিদ্ধান্ত

ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১১ অক্টোবৰ ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ উপস্থিতিত ৯ অক্টোবৰত হোৱা বৈঠকত মহাবিদ্যালয়ৰ নিয়মীয়া পাঠদান কাৰ্যসূচীত সৰ্বাধিক দিন উপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত তিনিগৰাকী ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়ৰ বিশেষ অনুষ্ঠানত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গ সোঁৱৰণী বঁটা প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি, মহাবিদ্যালয়ৰ পাঠদান কাৰ্যসূচীত সৰ্বাধিক দিন উপস্থিত থকা তিনিগৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে ৰিয়া মেছ (প্ৰথম সৰ্বাধিক)-ক 'জুবিন গাৰ্গ সোঁৱৰণী উপস্থিতিৰ উৎকৃষ্টতা বঁটা', বিধান লাচিত ফুকন (দ্বিতীয় সৰ্বাধিক)-ক 'জুবিন গাৰ্গ সোঁৱৰণী প্ৰেৰণা বঁটা' আৰু বিৰাজ বল্লভ গগৈ (তৃতীয় সৰ্বাধিক)-ক 'জুবিন গাৰ্গ সোঁৱৰণী উপস্থিতিৰ প্ৰতিশ্ৰুতি বঁটা' প্ৰদানৰ বাবে মনোনীত কৰিছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জনোৱা মতে, এই বঁটাৰ জৰিয়তে জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ এক প্ৰয়াস কৰা হৈছে। উক্ত সভাতে শিল্পী জুবিন গাৰ্গৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ স্বাৰ্থত মহাবিদ্যালয় চৌহদত জুবিন গাৰ্গ সংগীত উদ্যান, জুবিন গাৰ্গ সোঁৱৰণী সংগীত ষ্টুডিঅ', জুবিন গাৰ্গ সংগীত বঁটা, জুবিন গাৰ্গ সৃষ্টিশীল মহোৎসৱ, জুবিন গাৰ্গৰ গীতৰ সংৰক্ষণ, জুবিন গাৰ্গ গৱেষণা কেন্দ্ৰ, জুবিন গাৰ্গৰ স্মৃতিত বৃক্ষৰোপণ কাৰ্যসূচী, জুবিন গাৰ্গৰ জীৱনটোক সামৰি তথ্যচিত্ৰ নিৰ্মাণ, জুবিন গাৰ্গ সোঁৱৰণী বঁটা, জুবিন গাৰ্গ সৃষ্টিশীলতা মঞ্চ, জুবিন গাৰ্গ ডিজিটেল আৰ্কাইভ, জুবিন কণ্ঠ শীৰ্ষক বাৰ্ষিক গীতৰ প্ৰতিযোগিতা, জুবিন গাৰ্গৰ স্মৃতিত নাট্য উৎসৱ, জুবিন গাৰ্গ শান্তি আৰু সম্প্ৰীতি ক্লাৱ, মহাবিদ্যালয় চৌহদৰ আভ্যন্তৰীণ পথৰ নাম জুবিন গাৰ্গৰ নামত মায়াবিনী পথৰূপে নামকৰণ, জুবিন গাৰ্গ ম'বাইল এপ্, জুবিন গাৰ্গ স্মৃতি মিউজিয়াম আদি কামসমূহ পৰ্যায়ক্ৰমে কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰ একতা সভাৰ এনে পদক্ষেপক প্ৰশংসা কৰাৰ লগতে পৰ্যায়ক্ৰমে ৰূপায়ণ কৰাৰ কথা অৱগত কৰি সকলোৰে সহযোগিতা কামনা কৰিছে।